NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১।  কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিপণন বৰ্ষৰ বাবে ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অভিধম্ম দিৱস আৰু পালিভাষাক ধ্ৰূপদী ভাষাৰ স্বীকৃতি প্ৰদান সমাৰোহত অংশগ্ৰহণ কৰিব।

৩।  ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত ম'ৰিটানিয়াত উপস্থিত হৈছে।

৪।  নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

*আৰু*

৫।  ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথম দিনৰ খেল আজি বৰষুণৰ বাবে বাতিল কৰিবলগীয়া হয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিপণন বৰ্ষৰ বাবে ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা বিভিন্ন সিদ্ধান্তৰ বিষয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, বগা সৰিয়হ আৰু সৰিয়হৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত সৰ্বাধিক ৩০০ টকা বৃদ্ধি কৰা হৈছে। ইয়াৰ বিপৰীতে মচুৰ দাইলৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২৭৫ টকা বৃদ্ধি কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে, বুটৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২১০ টকা আৰু ঘেঁহুৰ ১৫০ টকা বৃদ্ধি কৰা হৈছে। তেওঁ কয় যে, চৰকাৰে খেতিয়কসকলৰ বাবে উৎপাদিত শস্যৰ উচিত মূল্য সুনিশ্চিত কৰাৰ উদ্দেশ্য ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে।

মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে উত্তৰ প্ৰদেশত গংগা নৈৰ ওপৰত এখন নতুন ৰে'ল আৰু পথ দলংসহ বাৰাণসী পণ্ডিত দীনদয়াল উপাধ্যায় মাল্টি ট্ৰেকিং প্ৰকল্প নিৰ্মাণৰ প্ৰস্তাৱতো অনুমোদন দিছে। এই প্ৰকল্পই যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব, পৰিবহণ ব্যয় হ্ৰাস কৰিব, তেলৰ আমদানি হ্ৰাস কৰিব আৰু কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমণ কম কৰিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। এই প্ৰকল্পই  নিৰ্মাণৰ সময়ত প্ৰায় ১০ লাখ কৰ্মদিনৰ পোনপটীয়া কৰ্ম-সংস্থাপন সৃষ্টি কৰিব। তেওঁ কয় যে, এই প্ৰকল্পৰ বাবদ দুহেজাৰ ৬৪২ কোটি টকা ব্যয় হ'ব আৰু ৪ বছৰত কাম সম্পূৰ্ণ হ'ব।

মন্ত্ৰীগৰাকীয়ে লগতে মন্ত্ৰীসভাই কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ আৰু পেঞ্চনাৰসকলৰ মৰগীয়া সাহায্য ৩ শতাংশ বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি ঘোষণা কৰে। তেওঁ কয় –

-বাইট-

এই সিদ্ধান্তই কেন্দ্ৰীয় চৰকাৰৰ ৪৯ লাখ কৰ্মচাৰী আৰু ৬৪ লাখৰো অধিক পেঞ্চনাৰক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অভিধম্ম দিৱস আৰু পালিভাষাক ধ্ৰূপদী ভাষাৰ স্বীকৃতি প্ৰদান সমাৰোহত অংশগ্ৰহণ কৰিব। সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় বুদ্ধ পৰিষদে এই দিৱসৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সমাৰোহত অভিধম্ম দিৱস, পালিভাষাৰ গুৰুত্ব আৰু বৌদ্ধ ধৰ্মৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে চৰকাৰে চলোৱা প্ৰচেষ্টাৰ বিষয়ে মত প্ৰকাশ কৰিব। সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘূ পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুও সমাৰোহত উপস্থিত থাকিব।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকক ফলপ্ৰসূ বুলি অভিহিত কৰিছে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কৈছে যে, বৈঠকত ৮ খন নথিত স্বাক্ষৰ কৰা হয়। ভাৰতে আলাপ-আলোচনাত ইতিবাচক আৰু গঠনমূলক অৱদান আগবঢ়োৱা বুলি তেওঁ উল্লেখ কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, বৈঠকত ভাৰতৰ দৃষ্টিভংগীৰে এখন পৃথিৱী, এটা পৰিয়াল আৰু এটা ভৱিষ্যৎ অৱধাৰণা সন্দৰ্ভত আলোচনাৰ সূত্ৰপাতসহ ৮ টা মূল পৰিণামৰূপে পৰিগণিত হৈছে। তেওঁ ডি পি আই আৰু ডিজিটেল অন্তৰ্ভুক্তি চাংহাই সহযোগিতা সংস্থাৰ পৰিকাঠামোৰ অংশ হোৱাৰ লগতে সংস্থাটোৱে ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে লাইফ মিছনৰ পৰা অনুপ্ৰেৰণা লোৱা বুলি উল্লেখ কৰে।

বৈঠকত চাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহে এছ চি অ' ষ্টাৰ্ট-আপ মঞ্চ, ষ্টাৰ্ট-আপ, উদ্ভাৱন আৰু পৰম্পৰাগত চিকিৎসা সম্পৰ্কীয় বিশেষ কাৰ্য্যগোটৰ দৰে ভাৰতীয় উদ্যমসমূহৰ ফলাফলৰ প্ৰতি আদৰণি জনায়। ড০ জয়শংকৰে লগতে চাংহাই সহযোগিতা সংস্থাৰ অধ্যক্ষতাৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে ৰাছিয়াক ভাৰতৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আলজেৰিযাৰ ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত ম'ৰিটানিয়াত উপস্থিত হৈছে । ইয়াৰ পূৰ্বে আলজেৰিয়া ভ্ৰমণ সামৰি মৰিটনিয়ালৈ বুলি ৰাওনা হোৱাৰ পৰত দেশখনৰ প্ৰধানমন্ত্ৰী নাদিৰ লাৰ্বোয় আৰু অন্য উচ্চ বিষয়াসকলে ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে বিদায় জনায়। শ্ৰীমতী মুৰ্মুৱে দিনজোৰা ম'ৰিটানিয়া ভ্ৰমণৰ সময়ত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্ড গজৌৱানী আৰু অন্য নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। তেওঁ লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব।

আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত কাইলৈ মলাৱিত উপস্থিত হ'ব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ  সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই হ'ল তেওঁৰ এই যাত্ৰাৰ মূল উদ্দেশ্য।

ooooooooo

আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰৰ সপ্তম অধিৱেশন অহা ৩ নবেম্বৰৰ পৰা ৬ নবেম্বৰলৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। অধিৱেশনত শক্তিৰ উপলভ্যতা, নিৰাপত্তা আৰু সদস্য ৰাষ্ট্ৰসমূহক সৌৰ শক্তি গ্ৰহণ কৰি স্বনিৰ্ভৰশীল হ'বলৈ তথা সৌৰ শক্তিৰ প্ৰয়োগ ত্বৰান্বিত কৰিবলৈ বিত্ত সংগ্ৰহ কৰা আদি আই এছ্ এৰ পদক্ষেপৰ বিষয়ে আলোচনা কৰা হ'ব। কেন্দ্ৰীয় নৱ আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী আৰু আই এছ্ এৰ সভাপতি প্ৰহ্লাদ যোশীয়ে নতুন দিল্লীত এক সংবাদ মেলত কয় যে, সৌৰ শক্তিৰ বিস্তৃত ব্যৱহাৰৰ বাবে আই এছ্ এৰ অধিৱেশনত বিশ্বৰ নেতাসকলক একত্ৰিত কৰা হ'ব। তেওঁ লগতে কয় যে, গোলকীয় উষ্ণতাৰ দৰে জ্বলন্ত সমস্যাৰ বিৰুদ্ধে যুঁজত সৌৰ শক্তিৰ আমূল ব্যৱহাৰ এটা শক্তিশালী অস্ত্ৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আই এছ্ এৰ বিভিন্ন পদক্ষেপ তথা গোলকীয় জলবায়ু নিয়ন্ত্ৰণত ভাৰতৰ উল্লেখযোগ্য অৱদানৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ জনায় যে, নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ, জলবায়ু নিয়ন্ত্ৰণ আৰু বহনক্ষমতা আদি বিষয়ত নেতৃত্বৰ বাবে ভাৰতক সমগ্ৰ বিশ্বই সমীহ কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ উপস্থিতিত সক্ৰিয় সদস্যতা অভিযানৰ শুভাৰম্ভ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজকে বিজেপি দলৰ প্ৰথমজন সক্ৰিয় সদস্য হোৱা বাবে দলটোৰ এজন কৰ্মী হিচাপে গৌৰৱ প্ৰকাশ কৰে। সক্ৰিয় সদস্যতা অভিযানে বিজেপিক তৃণমূল পৰ্য্যায়ত অধিক শক্তিশালী কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত দলৰ কাৰ্য্যকৰ্তাৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, দলৰ এজন সক্ৰিয় সদস্য হ'বলৈ এগৰাকী কাৰ্য্যকৰ্তাই এটা বুথত বা এটা বিধানসভা সমষ্টিত ৫০ জন লোকক দলৰ সদস্য হিচাপে পঞ্জীয়ন কৰাব লাগিব। এনে সক্ৰিয় সদস্যই দলৰ মণ্ডল কমিটি অথবা অন্য দলীয় কমিটিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে যোগ্য বিবেচিত হ'ব আৰু ভৱিষ্যতে দলৰ বাবে কাম কৰিবলৈ বহুতো সুযোগ লাভ কৰিব বুলিও সামাজিক মাধ্যমৰ পোষ্টত প্ৰকাশ কৰে।

ooooooooo

ৰাজ্যৰ ৫ টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি বিধানসভা সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাইএখন সংবাদমেলৰ আয়োজন কৰি ৰাজ্য জটিল বিত্তীয় সংকটৰ সন্মুখীন হোৱা বুলি অভিযোগ তুলি আসন্ন উপ নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনত এখন কল্যাণকামী চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ ৰাইজক আহ্বান জনাইছে।

০০০০০০০০০

নেচনেল কনফাৰেঞ্চৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৱৰ্তন কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত উপ-ৰাজ্যপাল মনোজ সিনহাই শ্ৰী আব্দুল্লা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰায়। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, সমাজবাদী পাৰ্টিৰ সভাপতি অখিলেশ যাদৱ আৰু আই এন ডি আই মিত্ৰজোঁটৰ আন কেইবাগৰাকীও নেতাই অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে নেচনেল কনফাৰেঞ্চৰ নেতা ওমৰ আব্দুল্লাক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে ওমৰ আব্দুল্লাই ৰাইজৰ সেৱাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয় যে, কেন্দ্ৰই জম্মু-কাশ্মীৰৰ প্ৰগতিৰ বাবে শ্ৰীআব্দুল্লাৰ সৈতে ঘনিষ্ঠতাৰে কাম কৰিব।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন টেষ্টৰ প্ৰথম দিনৰ খেল আজি বৰষুণৰ বাবে বাতিল কৰিবলগীয়া হয়। খেলখন কাইলৈ নিৰ্ধাৰিত সময়তকৈ পূৰ্বে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ভাৰত সম্প্ৰতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰবেশ কৰাৰ সম্ভাৱনা প্ৰবল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০০০০

সমাপ্ত